# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-04-2025
**Time:** 12:05 Hrs

## *Assamese Midday Bulletin*
## *Headlines*

**- - - - - - - - - - - - - -**

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি পৰম্পৰাগত ৰীতিনীতি আৰু উৎসাহ-উদ্দীপনাৰে গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৰাই গঞা ৰাইজে গোহালিৰ গৰুকেইটা নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মায়ো বিহু উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

ৰাজ্য চৰকাৰে দুহেজাৰ ২৪১ খন বিহু সমিতিলৈ আৰ্থিক অনুদান আগবঢ়াইছে। ১০ বছৰতকৈ অধিক পুৰণি বিহু সমিতিসমূহলৈ বিগত বৰ্ষৰ দৰে ডেৰ লাখ টকাকৈ সাহায্য প্ৰদান কৰা হৈছে। ২০২৪ চনত দুহেজাৰ ৩০৬ খন বিহু সমিতিক বিত্তীয় সাহায্য প্ৰদান কৰিছিল যদিও এইবাৰ বিত্তীয় সাহায্য লাভ কৰা বিহু সমিতিৰ সংখ্যা ৬৫ লৈ হ্ৰাস পাইছে। বিহু সমিতিসমূহে যাতে বিহু আয়োজনৰ নামত ৰাইজৰ পৰা অন্য ধৰণে বৰঙণি নোতোলে, তাৰ বাবে চৰকাৰে বিহু সমিতিসমূহক এনেদৰে বিগত কেইবাটাও বছৰ ধৰি আৰ্থিক সাহায্য আগবঢ়াই আহিছে। গুৱাহাটীত যান-যটৰ প্ৰতি লক্ষ্য ৰাখি বিহুৰ কেইদিন মহানগৰ আৰক্ষীয়ে সমদল-শোভাযাত্ৰা নিষিদ্ধ কৰিছে। সেইদৰে ৰাজপথত মাৰাথন, ৱাকাথন আদিও নিষিদ্ধ কৰা হৈছে। মহানগৰখনৰ ৰাজপথত সুচল যাতায়াতৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহানগৰ আৰক্ষীৰ উপ-আয়ুক্ত ইমদাদ আলী স্বাক্ষৰিত এটা বিবৃতি প্ৰকাশ কৰা হৈছে।

ooooo

গৰু বিহুৰ বাবে অপৰিহায্য মাখিয়তি সংৰক্ষণৰ বাবে জামুগুৰিহাটৰ আগ্ৰিপামৰ হেমবাহাদুৰ কাকি নামৰ এগৰাকী ব্যক্তিয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। বিগত প্ৰায় ৭-৮ বছৰ ধৰি কমেও ১০০ জোপা মাখিয়তি গছ প্ৰতিপালন কৰি তেওঁ নৱ প্ৰজন্মক এই গছৰ সৈতে চিনাকি কৰাই দিয়াৰ পদক্ষেপ লৈ আহিছে। গৰু বিহুৰ দিনা দূৰ দূৰণিৰ পৰা বহু লোকে মাখিয়তি নিবলৈ তেওঁৰ ওচৰলৈ আহে। উল্লেখযোগ্য যে গৰু বিহুৰ পুৱা গৰুক গা ধুওৱাৰ পাছত সন্ধিয়া দীঘলতি আৰু মাখিয়তি গছৰ পাতেৰে গৰুক কোবোৱা পৰম্পৰা চলি আহিছে। এই গছৰ পাত বিজানু নাশক হোৱা বাবে ইয়াৰে কোবালে গৰুৰ গাৰ পৰা মাখি-মহ আতৰি যোৱাৰ লগতে বিজানু নাশ হয় বুলি বিশ্বাস প্ৰচলিত আছে। তদুপৰি মাখিয়তিৰ অনেক ঔষধী গুণো আছে বুলি কোৱা হয়। জামুগুৰিহাটৰ আগ্ৰিপামৰ এই ব্যক্তিগৰাকীয়ে প্ৰতিগৰাকী অসমীয়াকে নিজৰ বাৰীত মাখিয়তি গছ ৰোপণ কৰিবলৈ আহ্বান জনায়।

০০০০০

গুৱাহাটী মহানগৰীত পৰিবহন আইন উলংঘা কৰি চলাচল কৰা ডাম্পাৰসমূহৰ বিৰুদ্ধে মহানগৰ আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মহানগৰীখনত পথ সুৰক্ষা নিশ্চিত কৰাৰ লগতে যান-বাহন আইন কঠোৰভাৱে ৰূপায়ণ কৰিবলৈ আইন উলংঘাকাৰী চালকসকলৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰখাৰ লগতে তালাচী অভিযান তীব্ৰ কৰি তোলা হৈছে। আৰক্ষীয়ে কালি পৰ্যন্ত কমেও ৯৪ খন ডাম্পাৰ নিৰীক্ষণ কৰাৰ লগতে ১৭টা আইন উলংঘকাৰী কাৰ্য চিনাক্ত কৰে। আৰক্ষীয়ে এই অভিযানৰ পাছত এজাহাৰ দাখিল নকৰাকৈয়ে ছটা গোচৰ আদালতলৈ প্ৰেৰণ কৰিছে। তদুপৰি ছখন ই-চালান জাৰি কৰা হৈছে, তিনিখন বাহন জব্দ কৰা হৈছে আৰু দুজন ডাম্পাৰ চালকৰ অনুজ্ঞা বাতিল কৰা হৈছে। গুৱাহাটী মহানগৰ আৰক্ষীয়ে এই অভিযান অব্যাহত ৰাখিব আৰু আইন উলংঘাকাৰী ডাম্পাৰ চালকক ৰেহাই দিয়া নহ'ব বুলি স্পষ্ট কৰি দিছে।

০০০০

জনসাধাৰণৰ মাজত অগ্নি বিষয়ক সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজিৰে পৰা অগ্নি সেৱা সপ্তাহ ২০২৫ পালন কৰা হৈছে। অহা ২৫ এপ্ৰিলত এই সপ্তাহৰ সামৰণি পৰিব। এই অগ্নি সেৱা সপ্তাহত ঘৰ, কৰ্মস্থান তথা ৰাজহুৱা ক্ষেত্ৰত অগ্নি বিষয়ক সুৰক্ষা আৰু অগ্নিৰ পৰা হ'ব পৰা সম্ভাব্য দুৰ্ঘটনা প্ৰতিৰোধৰ উদ্দেশ্যেৰে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস চলোৱা হ'ব। বিদ্যুৎ পৰিবাহী তাঁৰ, চকেট, চুইচ আদি আহিলাসমূহ নিয়মীয়াকৈ পৰীক্ষা কৰাৰ লগতে ঘৰ আৰু কৰ্মস্থানত দলিচা বা কাৰ্পেটৰ তলত কেতিয়াও বৈদ্যুতিক তাঁৰ ৰাখিব নালাগে। ঘৰ, বিদ্যালয় বা অন্য প্ৰতিষ্ঠানবোৰ অগ্নি নিৰ্বাপক আহিলাবোৰ সহজেই ঢুকি পোৱা ঠাইত ৰখাটো নিশ্চিত কৰিব লাগে। সুৰক্ষাৰ বাবে ঘৰৰ কৰ্মক্ষেত্ৰত নিয়মিতভাৱে অগ্নিনিৰ্বাপক বাহিনীৰ অনুশীলনৰ আৰশ্যক আছে। সকলো বাসিন্দা বা পৰিয়ালৰ সদস্যই জৰুৰীকালীন প্ৰস্থান আৰু নিৰাপদ মুকলি ঠাইৰ বিষয়ে অৱগত হোৱাটো দৰকাৰ। এনে সকলো পদক্ষেপৰ জৰিয়তে প্ৰতি বছৰে অগ্নি সেৱা সপ্তাহ পালন কৰি অহা হৈছে।

০০০০

কাছাৰ আৰক্ষীয়ে নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে চলোৱা চাৰিটা অভিযানত বৃহৎ পৰিমাণৰ নিচাজাতীয় সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ সোণাইত চলোৱা অভিযানত ৭৮ গ্ৰাম হেৰ'ইনসহ দুজন লোকক গ্ৰেপ্তাৰ কৰে। আপাৰ কালাইনত দুজন ড্ৰাগছ সৰবৰাহকাৰীৰ লগতে ১৪৯ গ্ৰাম হেৰ'ইন জব্দ কৰা হৈছে। আন এক অভিযানত ছাইদপুৰত ১৭৭ গ্ৰাম হেৰ'ইন সহ এজনক গ্ৰেপ্তাৰ কৰে আৰু শিলচৰত পাঁচজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰৰ লগতে ১২ গ্ৰাম হেৰ'ইন আৰক্ষীয়ে জব্দ কৰে। চাৰিটা অভিযানত জব্দ হোৱা ড্ৰাগছখিনিৰ মূল্য প্ৰায় ২ কোটি হ'ব বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰে।

০০০০০

সমাপ্ত